# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
### Headlines
--------------------

১। বিশ্বনাথৰ জাপৰিগুৰিত ১৭৫ বিঘা ভূমি উচ্ছেদৰ লক্ষ্যৰে জিলা প্ৰশাসনৰ অভিযান। বিয়লি ৪ বজাত প্ৰথম দিনাৰ উচ্ছেদৰ অন্ত।

২। গুৱাহাটী আৰু সোণাই জলসিঞ্চন প্ৰকল্পত এৰিয়েল লিডাৰ আৰু জি আই এছ্ সমীক্ষাত ৰাজ্য চৰকাৰৰ অনুমোদন।

৩। ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্তিক লৈ আছু আৰু ৰাজ্যৰ ৯টাকৈ শিক্ষক সংগঠনৰ মাজত গুৰুত্বপূৰ্ণ বৈঠক।

৪। বিশিষ্ট সংগীতশিল্পী গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ ৮৪ সংখ্যক জন্মবাৰ্ষিকী পালন। *আৰু*

৫। গুৱাহাটী আৰু সোণাপুৰত কাইলৈৰ পৰা পিলিক চৌধুৰী সোঁৱৰণী ১৫ বছৰ অনূৰ্ধ ল'ৰাৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা।

00000

বিশ্বনাথ জিলা প্ৰশাসনে ভূমিৰ চৰকাৰী জৰীপ নোহোৱা জাপৰিগুৰিৰ ভূমিত উচ্ছেদ চলায়। ১৭৫ বিঘা ভূমি উচ্ছেদৰ প্ৰথম দিনাৰ অভিযান আজি বিয়লি ৪ বজাত অন্ত পৰে। কাইলৈ পুৱা ৮ বজাৰ পৰা অঞ্চলটোত পুনৰ উচ্ছেদ চলিব বুলি জিলা প্ৰশাসনে প্ৰকাশ কৰিছে। যোৱা ২ আগষ্টত অঞ্চলটোৰ ৩০৯টা পৰিয়াললৈ উচ্ছেদৰ জাননী জাৰি কৰি তেওঁলোকক ১৫ দিনৰ ভিতৰত সেই স্থান এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছিল। অবৈধ দখলকাৰীক সেই স্থান এৰি যাবলৈ কালি মাইক যোগে অন্তিমবাৰৰ বাবে ঘোষণা কৰা হৈছিল। আজি উচ্ছেদ অভিযানত ২০ খন বুলড'জাৰ, ১০ খন ট্ৰেক্টৰ আৰু ২০ খন সৰু-বৰ বাহন ব্যৱহাৰ কৰা হয়। যিকোনো অপ্ৰীতিকৰ ঘটনা ৰোধ কৰাৰ বাবে অঞ্চলটোত আৰক্ষী-নিৰাপত্তাৰক্ষী নিয়োগ কৰা হয়। উচ্ছেদ অভিযানৰ বাবে অঞ্চলটো চাৰিটা মণ্ডলত ভাগ কৰা হৈছে। দুটা মণ্ডলত একোজনকৈ অতিৰিক্ত আয়ুক্তক নিয়োগ কৰা হৈছে। ইয়াৰ উপৰি ছজনকৈ কাৰ্যবাহী দণ্ডাধীশো নিয়োগ কৰা হৈছে। উচ্ছেদ অভিযানৰ সময়ত যাতে কোনো আইন-শৃংখলাজনিত পৰিস্থিতিৰ সৃষ্টি নহয় তাৰ বাবে অঞ্চলটোত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০২৩ৰ ১৬৩ ধাৰা বলৱৎ কৰা হয়। জাপৰিগুৰিৰ উচ্ছেদ সন্দৰ্ভত বিশ্বনাথৰ ৰাজহ বিভাগৰ অতিৰিক্ত আয়ুক্ত অসীম বুঢ়াগোহাঁইয়ে এনেদৰে কয়---

**বাইট (অসীম বুঢ়াগোহাঁই)**

00000

নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই আজি এখন সংবাদমেল সম্বোধন কৰি শেহতীয়াকৈ উৰিয়ামঘাটৰ একাংশ উচ্ছেদিত লোকে নগাঁৱৰ বিভিন্ন স্থানত অৱস্থান কৰা বুলি উঠা অভিযোগ সন্দৰ্ভত কেতবোৰ স্পষ্টীকৰণ দাঙি ধৰে। আয়ুক্তগৰাকীয়ে কয়, যে যি সকল লোকৰ মাটিৰ কোনো বৈধ নথি পত্ৰ নাই অথবা চৰকাৰী ভূমিত বাস কৰি আছে সেইসকল লোকক চৰকাৰে এদিন উচ্ছেদ কৰি চৰকাৰী ভূমি দখলমুক্ত কৰিবই। এচাম লোকে বহু ঠাইত মাটি থকাৰ পাছতো চৰকাৰী মাটি দেখা পালে দখল কৰাৰ চেষ্টা চলায়। জিলা আয়ুক্তগৰাকীয়ে এনে কাৰ্যৰ পৰা বিৰত থাকিবলৈ

সেইসকল লোকক সকীয়াই দিয়ে। আয়ুক্তগৰাকীয়ে জিলাখনৰ ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত বা নাম কৰ্তনেৰে সংশোধনৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে। একেখন সংবাদমেলতে জিলা আয়ুক্তগৰাকীক কাৰ্যালয়ৰ এগৰাকী মহিলা কৰ্মচাৰীয়ে উৎকোচ লোৱা ঘটনা সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কৰ্মচাৰীগৰাকীক তৎকালীনভাৱে বলৱৎ হোৱাকৈ নিলম্বন কৰাৰ লগতে আৰক্ষী থানাত এটা গোচৰ তৰা বুলিও জানিবলৈ দিয়ে।

০০০০০

অধিক দক্ষতাৰে ৰাজ্যৰ উন্নয়নৰ গতি আগুৱাই নিয়াৰ উদ্দেশ্যেৰে চৰকাৰে গুৱাহাটী আৰু সোণাই জলসিঞ্চন প্ৰকল্পত এৰিয়েল লিডাৰ আৰু জি আই এছ সমীক্ষাত অনুমোদন জনাইছে। গুৱাহাটী পৌৰ নিগম আৰু গুৱাহাটী নগৰ উন্নয়ন প্ৰাধিকৰণৰ অন্তৰ্গত ৩২৮ বৰ্গ কিলোমিটাৰ এলেকাত জৰীপ কৰা হ'ব। আনহাতে কাছাৰ জিলাৰ সোণাই জলসিঞ্চন প্ৰকল্পৰ ১৪৭ বৰ্গ কিলোমিটাৰ অঞ্চল এই জৰীপৰ জৰিয়তে সামৰি লোৱা হ'ব। এই জৰীপ ব্যৱস্থাৰে নগৰীয়া সম্পত্তি ব্যৱস্থা আৰু স্মাৰ্ট চিটি প্ৰশাসন সুনিশ্চিত হ'ব। ভৱিষ্যতৰ গুৱাহাটীৰ বাবে আন্তঃগাঁথনিৰ পৰিকল্পনা আৰু কাছাৰ জিলাত উন্নত জলসিঞ্চনৰ পৰিকল্পনাৰ বাবে এই ব্যৱস্থাই বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যৰ আদৰ্শ মহাবিদ্যালয়সমূহত অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়া বিষয়টোক লৈ সদৌ অসম ছাত্ৰ সন্থা আৰু ৰাজ্যৰ ৯টাকৈ শিক্ষক সংগঠনৰ মাজত আজি এখন বৈঠক অনুষ্ঠিত হয়। গুৱাহাটীৰ পাণবজাৰত অনুষ্ঠিত এই বৈঠকত শিক্ষিত যুৱক-যৱতীক বঞ্চিত কৰি অৱসৰপ্ৰাপ্ত শিক্ষকক নিযুক্তি দিয়াৰ বিৰোধীতা কৰে। চৰকাৰে যদি অৱসৰপ্ৰাপ্ত শিক্ষক নিযুক্তি দিয়াটো অপৰিহাৰ্য বুলি ভাবিছে তেন্তে তেওঁলোকক তত্বাৱধায়ক বা অতিথি অধ্যাপক হিচাপে নিযুক্তি দিয়ক বুলি তেওঁলোকে দাবী জনাইছে। আজিৰ বৈঠকৰ অন্তত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা সমুজ্জল কুমাৰ ভট্টচাৰ্য আৰু সভাপতি উৎপল শৰ্মাই কয়, যে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্তই হাজাৰ হাজাৰ নিবনুৱা যুৱক-যুৱতীৰ মনত সংশয় আৰু হতাশাৰ সৃষ্টি কৰিছে। আদৰ্শ মহাবিদ্যালয়ত নতুনকৈ নিযুক্তি লাভ কৰা শিক্ষকসকলক তিনি বছৰীয়া প্ৰবেছনৰ সলনি বিশ্ববিদ্যালয় অনুদান আয়োগৰ নিয়ম অনুসৰি দৰমহা আৰু স্থায়ী নিযুক্তিৰ ব্যৱস্থা কৰিবলৈও সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বই দাবী জনায়।

০০০০০

গায়ক, সুৰকাৰ তথা গীতিকাৰ খগেন মহন্তৰ আজি ৮৪ সংখ্যক জন্ম বাৰ্ষিকী। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আজি গুৱাহাটী কাহিলিপাৰাত থকা জ্যোতি চিত্ৰবনৰ ৰুদ্ৰ বৰুৱা প্ৰেক্ষাগৃহত শিল্পী খগেন মহন্তৰ জয়ন্তী উপলক্ষে **যায় অ' কানু বাই বেণু** শীৰ্ষক এটা সুৰীয়া সন্ধিয়াৰ আয়োজন কৰা হৈছে। বিয়লি চাৰে ৫ বজাত আৰম্ভ হোৱা এই অনুষ্ঠানত শিল্পীগৰাকীৰ কালজয়ী গীতসমূহৰ স্মৃতি সোঁৱৰণ কৰা হৈছে।

উল্লেখযোগ্য যে সংগীত নাটক একাডেমী বঁটাৰে সন্মানিত শিল্পীগৰাকীক আজি ৰাজ্যজুৰি স্মৰণ কৰা হৈছে। ১৯৬৫ চনৰ পৰা আকাশবাণীৰ নিয়মীয়া শিল্পী হিচাপে গীত গাই ১৯৭২ চনত তেওঁ প্ৰথম শ্ৰেণীৰ সুগম সংগীত আৰু লোকসংগীতৰ শিল্পী হিচাপে আকাশবাণীৰ স্বীকৃতি লাভ কৰে। ১৯৭৪ চনৰ পাছত তেওঁ আকাশবাণীত সুৰকাৰ হিচাপে চাকৰিত যোগদান কৰি পাছলৈ সংগীত প্ৰযোজক আৰু শেষত আকাশবাণীৰ উত্তৰ-পূব সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক হিচাপে ২০০১ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়।

১৯৬০ চনৰ ভাষা আন্দোলনৰ সময়ছোৱাত বিষ্ণু প্ৰসাদ ৰাভা, হেমাংগ বিশ্বাস, যুগল দাসৰ হাৰমণি দলৰ এজন সক্ৰিয় সদস্যৰূপে ৰাজ্যজুৰি শান্তিৰ হকে তেওঁ গীত পৰিৱেশন কৰিছিল। **কাউৰী পৰে, মা আমি শদিয়ালৈ যামে** আদিকে ধৰি কেইবাটিও কালজয়ী গীতেৰে অসমৰ সংগীত ক্ষেত্ৰখনক তেখেতে সমৃদ্ধ কৰি গৈছে। ৰাজ্যৰ ভিতৰুৱা অঞ্চলসমূহৰ পৰা সংগ্ৰহ কৰা লোকগীতসমূহ ৰাইজলৈ আগবঢ়াই দিয়াৰ লগতে বিহু গীতসমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ তেখেতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

ooooo

স্বাধীনতা সংগ্ৰামৰ উত্তৰ-পূৰ্বাঞ্চলৰ সংগ্ৰামীসকলৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য জনোৱাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত পৰাক্ৰমী পূৰ্বোত্তৰ নাট মেলাত আজি **মাংৰী মেম - সেউজী অগ্নিকন্যা** শীৰ্ষক নাটখন মঞ্চস্থ কৰা হৈছে। ডুলিয়াজানৰ পথাৰ নাট্যগোষ্ঠীয়ে পৰিবেশন কৰিবলগীয়া এই নাটখনৰ নাট্যকাৰ পংকজজ্যোতি ভূঞা আৰু পৰিচালক হৈছে পবিত্ৰ চেতিয়া। সন্ধিয়া ৫ আৰু চাৰে সাত বজাত নাটখনৰ দুটাকৈ দৰ্শনী আগবঢ়োৱা হৈছে।

কালি সন্ধিয়া **গোভাৰজা চত্ৰসিং - অপ্ৰতিৰোধ্য দেওৰজা** নামৰ নাটখন মঞ্চস্থ হয়। কাইলৈ **ব্ৰজনাথ-বিপ্লৱী অগ্নিবীৰ** শীৰ্ষক আন এখন নাট মঞ্চস্থ কৰা হ'ব।

ooooo

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত ৰাজ্যখনৰ কেইগৰাকীমান স্বাধীনতা সংগ্ৰামীৰ অভিজ্ঞতাৰ উপলব্ধি প্ৰচাৰ কৰিব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

ooooo

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটী আৰু সোণাপুৰত পিলিক চৌধুৰী সোঁৱৰণী ১৫ বছৰ অনূৰ্ধ ল'ৰাৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজ্যৰ মুঠ ৩৫ খন জিলাৰ দল তথা প্ৰায় ৭০০ খেলুৱৈ আৰু বিষয়াই প্ৰতিযোগিতাখনত যোগদান কৰিছে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামৰ দুখনকৈ খেলপথাৰৰ লগতে সোণাপুৰৰ তেপেচীয়াত থকা এল এন আই পি ই ৰ ফুটবলৰ গ্ৰাউণ্ডত হ'ব। কাইলৈ পুৱা ৬ বজাত খেল আৰম্ভ হ'ব যদিও নেহৰু ষ্টেডিয়াম আবেলি ৩ বজাত প্ৰতিযোগিতাখনৰ আনুষ্ঠানিকভাৱে উদ্বোধন হ'ব। নকআউট পদ্ধতিৰে হ'বলগীয়া প্ৰতিযোগিতাখনত মুঠ ৩৪ খন খেল অনুষ্ঠিত হ'ব। কাইলৈ তিনিওখন খেলপথাৰতে মুঠ ১৫ খেল হ'ব। ১৯ আগষ্টত দ্বিতীয় ৰাউণ্ড আৰু কোৱাৰ্টাৰ ফাইনেলসহ মুঠ ১২ খন খেল অনুষ্ঠিত হ'ব। ২০ আগষ্টত ছেমি ফাইনেলসহ ছখন খেল আৰু ২১ আগষ্টত নেহৰু ষ্টেডিয়ামত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই ৰাজ্যিক প্ৰতিযোগিতাৰ চেম্পিয়ন দলটোৱে বেংগালুৰুত হ'বলগীয়া সুব্ৰত কাপ ফুটবল ১৫ বছৰ অনূৰ্ধ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

ooooo

ডিব্ৰুগড় জিলাৰ চাবুৱা দিনজয় চাহ বাগিছাত যোৱা কিছুদিন ধৰি হৈ থকা অচিন ৰোগৰ প্ৰাদুৰ্ভাব নিৰ্মূল কৰিবৰ বাবে ডিব্ৰুগড় জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ নেতৃত্বত বিভাগীয় এটি দল উপস্থিত হৈ পানীৰ নমুনা সংগ্ৰহ কৰে। ইয়াৰ উপৰি তাৎক্ষণিক সতৰ্কতামূলক ব্যৱস্থা হিচাপে পানীৰ উৎস সমূহ বিজাণু মুক্ত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে। চাহ বাগিছা কৰ্তৃপক্ষৰ সহযোগিতাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দলে সজাগতা কাৰ্যসূচীও ৰূপায়ণ কৰে।

ooooo

বাক্সা জিলাৰ চাউদৰভিঠাত আজি কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সাংসদগৰাকীয়ে ২১ নম্বৰ শালবাৰী পৰিষদীয় সমষ্টিৰ জ্ঞান চৌৰাঙ বিথাংখি, যুৱ সজাগতা সভা আৰু বিটিচি নিৰ্বাচন সন্দৰ্ভত পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সাংসদগৰাকীয়ে- ইউ পি পি এল হিচাপে বিটিচিৰ ৩৫ লাখ জনসাধাৰণৰ ২৬ টা জনগোষ্ঠীৰ শান্তি, সম্প্ৰীতিৰে আগবাঢ়ি যোৱাৰ সংকল্পৰ কথা উল্লেখ কৰে। কংগ্ৰেছৰ গৌৰৱ গগৈয়ে ইউ পি পি এলৰ চাবিকাঠি মুখ্যমন্ত্ৰীৰ হাতত

থকা বুলি দিয়া ভাষ্য সন্দৰ্ভতো তেওঁ মন্তব্য কৰে। অনুষ্ঠানত টি চি এল চি চিৰ অধ্যক্ষ বিনোদ মুছাহাৰী, ইউ পি পি এলৰ মানাহ বিধানসভা সমষ্টিৰ সমন্বয়ক ড০ ভৱেশ শৰ্মাকে ধৰি কেইবগাৰাকীও দলীয় নেতাই অংশগ্ৰহণ কৰে।

০০০০০

লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে আজি চিৰাং জিলাৰ কাজলগাঁও গাঁও পৰিষদ উন্নয়ন কমিটি চমুকৈ ভি চি ডি চিৰ অধীনত শিলপোতাত ৰাভা সম্প্ৰদায় উন্নয়ন কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। সমূহীয়া আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে বি টি আৰৰ অধীনত এই প্ৰকল্প গ্ৰহণ কৰা হৈছে।

০০০০০

ডিমা হাচাওত এগৰাকী মহিলাক ধৰ্ষণ কৰি হত্যা কৰাৰ অভিযোগত তিনিজন লোকক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। গ্ৰেপ্তাৰ হোৱা লোককেইজন হ'ল লংকুৰ ষ্টেফেন হাঙ্গে, নেপালৰ ৰবীন্দ্ৰ ৰানা আৰু বৰপেটা জিলাৰ আব্দুল ৰহমান। আটাইকেইজনেই এল এণ্ড টি কনষ্ট্ৰাকচন কোম্পানীৰ শ্ৰমিক বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে ঘটনাটোৰ সৈতে আৰু লোক জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। নামনি কপিলি জলবিদ্যুৎ প্ৰকল্পৰ কাষতে দোকান দি জীৱিকা নিৰ্বাহ কৰা এগৰাকী ৪৮ বছৰীয়া মহিলা ১৩ আগষ্টৰ বিয়লি নিৰুদ্দেশ হৈ পৰিছিল। ১৪ আগষ্টৰ নিশা লংকু চাকপুৰো প্ৰাথমিক বিদ্যালয়ৰ সমীপৰ জংঘলত মহিলাগৰাকীৰ মৃতদেহ উদ্ধাৰ হয়। মোবাইল ফোন ট্ৰেকিঙৰ জৰিয়তে উদ্ধাৰ হোৱা মহিলাগৰাকীৰ মৃতদেহত বহুকেইটা আঘাতৰ চিন আছিল। আৰক্ষীয়ে মহিলাগৰাকীক যৌন উৎপীড়ন চলাই হত্যা কৰাৰ সন্দেহ প্ৰকাশ কৰিছে। ঘটনাৰ ধাৰাবাহিক তদন্তৰ অন্তত আজি উমৰাংছ' আৰক্ষীয়ে তিনিটা অভিযুক্তক গ্ৰেপ্তাৰ কৰে। ঘটনাৰ পিছৰে পৰা দোষীক কঠোৰ শাস্তিৰ দাবীৰে স্থানীয় লোকে জলবিদ্যুৎ প্ৰকল্পটোৰ কাম ব্যাহত ৰাখি প্ৰতিবাদ সাব্যস্ত কৰিছে। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অঞ্চলটোত বৰ্তমান আৰক্ষীয়ে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰ আৰু স্বাস্থ্য সেৱা কেন্দ্ৰৰ উদ্যোগত আজি বিনামূলীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। প্ৰায় চাৰি শতাধিক লোকে সম্পূৰ্ণ বিনামূলীয়াকৈ চিকিৎসা লাভ কৰা এই স্বাস্থ্য শিবিৰত ছটা বিভাগৰ ১২ গৰাকী চিকিৎসকসহ ২৬ জনীয়া এটা চিকিৎসকৰ দলে চিকিৎসা সেৱা প্ৰদান কৰে। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা আজিৰ এই অনুষ্ঠানত সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামী, জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠককে বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ডিব্ৰুগড় চহৰৰ ইণ্ডিয়ান এয়াৰলাইনছ কাৰ্যালয়ৰ কাষৰ পথটি সাহিত্যিক নিৰুপমা ফুকনৰ নামেৰে নামকৰণ কৰা হয়। ডিব্ৰুগড়ৰ সামাজিক সাংস্কৃতিক অনুষ্ঠান প্ৰহৰী ডিব্ৰুগড় নগৰ সৌন্দৰ্যবৰ্ধন আৰু ঐতিহ্য সংৰক্ষণ সমিতিৰ উদ্যোগত ডিব্ৰুগড় জিলা প্ৰশাসনৰ অনুমোদন ক্ৰমে এই নামকৰণ কৰা হয়। এই উপলক্ষে অনুষ্ঠিত এখন ৰাজহুৱা সভাত জিলা আয়ুক্ত বিক্ৰম কৈৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী প্ৰশান্ত ফুকনে আজি নিজা বাসগৃহত মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ অধীনত বিভিন্ন ৰোগত আক্ৰান্ত লোকসকলক এককালীন অৰ্থ সাহায্যৰ চেক বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ৬৩ গৰাকী ব্যক্তিক এই সাহায্য প্ৰদান কৰে। এই সাহায্যই ৰোগীসকলক আৰ্থিকভাৱে সকাহ দিব বুলি মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

০০০০০

বজালী জিলাৰ বাঘমাৰাৰ নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ ৪৭ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয় চৌহদত পালন কৰা হয়। পুৱা পতাকা উত্তোলনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানৰ মুকলি সভাত মহাবিদ্যালয়খনৰ কেইবাগৰাকীও প্ৰাক্তন ছাত্ৰই শৈক্ষিক দিশ সম্পৰ্কে সাৱলীল বক্তব্য দাঙি ধৰে।

০০০০০

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত কাইলৈৰ পৰা গুৱাহাটী আৰু সোণাপুৰত পিলিক চৌধুৰী সোঁৱৰণী ১৫ বছৰ অনূৰ্ধ ল'ৰাৰ আন্তঃজিলা বিদ্যালয় ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৰাজ্যৰ মুঠ ৩৫ খন জিলাৰ দল তথা প্ৰায় ৭০০ খেলুৱৈ আৰু বিষয়াই প্ৰতিযোগিতাখনত যোগদান কৰিছে। প্ৰতিযোগিতাৰ খেলসমূহ গুৱাহাটীৰ ৰাধাগোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ নেহৰু ষ্টেডিয়ামৰ দুখনকৈ খেলপথাৰৰ লগতে সোণাপুৰৰ তেপেচীয়াত থকা এল এন আই পি ই ৰ ফুটবলৰ গ্ৰাউণ্ডত হ'ব। কাইলৈ পুৱা ৬ বজাত খেল আৰম্ভ হ'ব যদিও নেহৰু ষ্টেডিয়াম আবেলি ৩ বজাত প্ৰতিযোগিতাখনৰ আনুষ্ঠানিকভাৱে উদ্বোধন হ'ব। নকআউট পদ্ধতিৰে হ'বলগীয়া প্ৰতিযোগিতাখনত মুঠ ৩৪ খন খেল অনুষ্ঠিত হ'ব। কাইলৈ তিনিওখন খেলপথাৰতে মুঠ ১৫ খেল হ'ব। ১৯ আগষ্টত দ্বিতীয় ৰাউণ্ড আৰু কোৱাৰ্টাৰ ফাইনেলসহ মুঠ ১২ খন খেল অনুষ্ঠিত হ'ব। ২০ আগষ্টত ছেমি ফাইনেলসহ ছখন খেল আৰু ২১ আগষ্টত নেহৰু ষ্টেডিয়ামত ফাইনেল খেলখন অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে এই ৰাজ্যিক প্ৰতিযোগিতাৰ চেম্পিয়ন দলটোৱে বেংগালুৰুত হ'বলগীয়া সুব্ৰত কাপ ফুটবল ১৫ বছৰ অনূৰ্ধ প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰিব।

০০০০০

সমাপ্ত